# 45th Anniversary of entry into force of the Biological and Toxin Weapons Convention (BWC)

March 27, 2020

---

## জৈৱিক আৰু বিষাক্ত অস্ত্ৰ সন্মিলনৰ(বি. ডব্লিও. চি.) গোটত অন্তৰ্ভূক্ত হোৱাৰ ৪৫সংখ্যক বাৰ্ষিকী

**মাৰ্চ 27, 2020**

২৬ মাৰ্চ তাৰিখে, জৈৱিক আৰু বিষাক্ত অস্ত্ৰ সন্মিলনৰ(বি.ডব্লিও.চি.) গোটত অন্তৰ্ভূক্ত হোৱাৰ ৪৫সংখ্যক বাৰ্ষিকী উপলক্ষে ভৰতবৰ্ষই, বি.ডব্লিও.চি.ৰ সৰ্বাধিক গুৰুত্বৰ কথা পুনৰব্যক্ত কৰি ইয়াক প্ৰথম গোলকীয় আৰু অভেদাভেদকামী নিৰস্ত্ৰীকৰণ সন্মিলন হিচাপে নিজৰ সৈতে সংলগ্ন কৰি ৰখাৰ বিষয়ে উল্লেখ কৰে, যি সামূহিক বিনাশ সাধন কৰিব পৰা সকলো প্ৰকাৰৰ মৰণাস্ত্ৰ প্ৰতিবন্ধিত কৰে। আমি ইয়াৰ সাৰ্বজনীনকৰণ, আৰু লগতে ইয়াক সকলো ৰাষ্ট্ৰই সম্পূৰ্ণৰূপে আৰু ফলপ্ৰসূভাৱে ৰূপায়ন কৰাৰ দিশটোত অগ্ৰাধিকাৰ প্ৰদান কৰো।

যি থলত আমি সন্মিলনৰ ৯তম পৰ্য্যালোচনা সভাৰ কাষ চাপিছো, এনে ক্ষেত্ৰত আমি এক ব্যাপক আৰু আইনী ভাৱে মানিবলগীয়া অনিবাৰ্য্য প্ৰট'কলসহ, সন্মিলনৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ আহ্বানক পুনৰ শুৱৰিছো, যি সন্মিলনৰ কাৰ্য্যাৱলী সমূহৰ পূৰ্ণ অনুপালন সুনিশ্চিত কৰাৰ লগতে ইয়াৰ অনুপালন নকৰাটো বন্ধ কৰি, ফলপ্ৰসূতা, সাৰ্বজনীন আৰু অভেদাভেদপূৰ্ণতাৰ সত্যাসত্য নিৰ্নয়কাৰী ব্যৱস্থাপনাৰ জৰিয়তে সদস্য ৰাষ্ট্ৰ সমূহৰ দ্বাৰা শক্তিশালী ৰূপত, কাৰ্য্যাৱলী সমূহ ৰূপায়ণ কৰাব।

ভাৰতবৰ্ষই দৃঢ়তাৰে বিশ্বাস কৰে যে, বি.ডব্লিও.চি.এ, নতুন আৰু উত্থান ঘটিবলৈ ধৰা বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নয়নে কঢ়িয়াই অনা ভাবুকিৰ বিৰুদ্ধে শক্তিশালী ৰূপত থিয় হোৱাৰ প্ৰয়োজন আছে, যি সন্মিলনৰ বাবে অত্যন্ত প্ৰাসংগিক। “আন্তঃৰাষ্ট্ৰীয় সুৰক্ষা আৰু নিৰস্ত্ৰীকৰণৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ভূমিকা” সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ বৈঠকত ভাৰতবৰ্ষই প্ৰতিবছৰে বাৰ্ষিক প্ৰস্তাৱ প্ৰদান কৰি আহিছে যি সৰ্বসন্মতিক্ৰমে গৃহীত কৰাও হৈছে।

কভিড–১৯ৰ দ্বাৰা সৃষ্ট অৰ্থনৈতিক আৰু সামাজিক প্ৰভাৱে ইতিমধ্যেই বিশ্ব স্বাস্থ্য সংস্থাৰ সাংগঠনিক দিশটো শক্তিশালী কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ প্ৰয়োজনীয়তাকো আঙুলিয়াই দিছে। ইয়াৰোপৰি, সন্মিলনৰ কাৰ্য্যাৱলী সমূহ সকলো দিশতে পূৰ্ণ আৰু ফলপ্ৰসূভাৱে ৰূপায়ন কৰাৰ বাবে বি.ডব্লিও.চি.ৰ সদস্য ৰাষ্ট্ৰ সমূৰ মাজত শক্তিশালী ৰূপত সহযোগিতা গঢ় দিয়াৰ প্ৰয়োজনীয়তাকো ই স্পষ্ট কৰি দিছে। ভাৰতবৰ্ষই সহযোগী ৰাষ্ট্ৰ সমূহৰ সৈতে মিলি এটা অনুচ্ছেদ VII তথ্যভাণ্ডাৰ স্থাপনৰ দিশত কাম কৰি আছে যি জৈৱিক ভাবুকি আৰু জৈৱিক আপাতকালীনতাৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত সহায়ক হব।

ভৱিষ্যতে উগ্ৰপন্থীসকলে জীৱাণুক জৈৱিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি ভাবুকি সৃষ্টি কৰাৰ সম্ভাৱনীয়তাক ভাৰতবৰ্ষই, ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদত উত্থাপন কৰা "সামুহিক বিনাশ সাধনকাৰী মৰণাস্ত্ৰ লাভ কৰাৰ পৰা উগ্ৰপন্থীক বাধা প্ৰদান কৰাৰ উপায়" শীৰ্ষক বাৰ্ষিক প্ৰস্তাৱৰ জৰিয়তে উল্লেখ কৰি আহিছে যি ২০০২ বৰ্ষৰে পৰা সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰি থকা হৈছে।

ভাৰতবৰ্ষই এই সুযোগতে, সন্মিলনৰ কাৰ্য্যৱলী সমূহ সম্পূৰ্ণ ৰূপে আৰু ফলপ্ৰসূ ভাৱে ৰূপায়ন কৰাৰ লগতে ইয়াৰ পূৰ্ণ অনুপালনৰ বাবে বি.ডব্লিও.চি.ৰ সদস্য ৰাষ্ট্ৰ সমূহক পুনৰ প্ৰতিশ্ৰুতিবদ্ধ হবলৈ আহ্বান জনায়। সকলো দিশতো সন্মিলনক শক্তিশালী কৰাৰ উদ্দেশ্য, নিজৰ সহযোগী ৰাষ্ট্ৰ সমূহৰ সৈতে মিলি কাম কৰি যোৱাৰ বাবে ভাৰতবৰ্ষই নিজৰ প্ৰতিবদ্ধতাক পুনৰ স্পষ্ট কৰি দিছে।

**নতুন দিল্লী**
**মাৰ্চ 26, 2020**

**DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.**